**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ চাবুৱাত আজি প্ৰথমটো কাৰ্যসূচী।

২। মেঘালয়ৰ কয়লা খনিৰ বিস্ফোৰণত নিহত শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান আজিও অব্যাহত। অবৈধ খননৰ বিৰুদ্ধে জিলা প্ৰশাসনৰ অভিযান তীব্ৰতৰ।

৩। শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত দখলীকৃত ভূমিত প্ৰশাসন আৰু বন বিভাগৰ উচ্ছেদ অভিযান অব্যাহত।

৪। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত গুৱাহাটীত নিৰ্বাচন আয়োগৰ দল আৰু ৰাজ্য চৰকাৰৰ নিৰ্বাচনী বিষয়াৰ গুৰুত্বপূৰ্ণ বৈঠক।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোত অনুষ্ঠিত এখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে শ্ৰীলংকাৰ জয়লাভ।

০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰিব। দিনজয় চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰিব। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে। আজিৰ বন্দোৱস্তিৰ প্ৰ-পত্ৰ প্ৰদান অনুষ্ঠান সন্দৰ্ভত এয়া আমাৰ ডিব্ৰুগড়ৰ সংবাদতাতা যাদৱ গগৈ –

বাইট

০০০০০০

মেঘালয়ৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণত নিহত শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। আজি পুৱা পুনৰ উদ্ধাৰ অভিযান আৰম্ভ হৈছে। কালিৰ অভিযানত কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা নগ'ল। উদ্ধাৰকাৰী দলে বিস্ফোৰণস্থলীত তন্ন তন্নকৈ অনুসন্ধান চলায়। এই ঘটনাৰ পাছতে পূব জয়ন্তীয়া পাহাৰ জিলা প্ৰশাসনে অবৈধ খননৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে।

ইয়াৰ বাবে কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী আৰু খনিজাত সম্পদ সঞ্চালকালয়ৰ বিষয়াসকলক লৈ পাঁচটা দল গঠন কৰা হৈছে। তদুপৰি ইতিমধ্যে দাখিল কৰা অবৈধ খনন কাৰ্যৰ সৈতে জড়িত গোচৰত এজাহাৰ ৰুজু কৰা হৈছে। মেঘালয় চৰকাৰে বৰ্তমানলৈ খনি বিস্ফোৰণত নিহত আঠজন শ্ৰমিকৰ পৰিয়াললৈ ২৪ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

০০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত প্ৰশাসন আৰু বন বিভাগে কালিৰে পৰা উচ্চেদ অভিযান চলাইছে। বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে।

০০০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচন আয়োগৰ এটা দলে কালি গুৱাহাটীত ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া তথা জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে কেইবালানি আলোচনাত মিলিত হয়। উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটোৱে প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত ভাগ লয়। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়াকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয় সন্দৰ্ভত আলোচনা কৰে। অহা ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ হৈছে। চিৰাং জিলাৰ বি পি এফৰ কাৰ্যালয়ত কালি দলটোৰ সভাপতি আৰু বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কোষসমূহৰ নেতৃবৃন্দৰ উপস্থিতিত এখন বৈঠকত মিলিত হয়। বিধানসভা নিৰ্বাচনৰ ১২৬ খন আসনৰ কিমানখনত দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিব, এইবিষয়ে বৈঠকত আলোচনা কৰা হয়। এই বৈঠক আৰু দলটোৰ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় –

বাইট

বি পি এফৰ অন্য এখন সমন্বয়ৰক্ষী বৈঠক কালি তামুলপুৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই বৈঠকত উপস্থিত থাকি বি পি এফৰ উপ-সভাপতি ইমানুৱেল মাছাহাৰীয়ে

কয়, যে মিত্ৰজোঁটৰ আন কোনো সহযোগী দলে এতিয়ালৈকে জনজাতি সংৰক্ষিত সমষ্টিটোৰ আসনখন দাবী কৰা নাই।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ গোল্ফ ফিল্ডত অনুষ্ঠিত চাবুৱা কেন্দ্ৰীয় অধিবেশন তথা মটক যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। মটক জনগোষ্ঠীৰ আটাইকেইটা সংগঠনৰ সৌজন্যত বেংমৰা সমন্বয় ক্ষেত্ৰত চাৰিদিনীয়াকৈ এই যুৱ মহোৎসৱৰ আয়োজন কৰা হৈছিল। শ্ৰীসোণোৱালে তেওঁৰ ভাষণত কয় যে অসমৰ জাতীয় জীৱনৰ সকলো সন্ধিক্ষণত সবল ভূমিকা গ্ৰহণ কৰি অহা মটক জনগোষ্ঠীয়ে ৰাজ্যখনৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক উত্তৰণৰ দিশত বিশেষ অৰিহণা যোগাই আহিছে। তেওঁ বিকশিত আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে মটক জনগোষ্ঠীৰ যুৱপ্ৰজন্মক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

*(বাইট ঃ সোণোৱাল)*

কালিৰ মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মটক জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অধিবেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মাৰক গ্ৰন্থখন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উন্মোচন কৰে।

০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোৱালপাৰা জিলাৰ মাকৰিৰ ৰেন্দু পেন্দু পাহাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত ৰাভা-হাছং সাংস্কৃতিক সমাৰোহৰ কালি সামৰণি পৰে। এই সমাৰোহত ৰাভা জনগোষ্ঠীৰ উপৰি বড়ো, গাৰো, নেপালী, হাজং, ৰাজবংশী আদি জনগোষ্ঠীৰ কলা-কৃষ্টিসমূহৰ নিদৰ্শন প্ৰদৰ্শন কৰা হয়। ৰাভাসকলৰ হামজাৰ, চাথাৰ, ফাৰক্ৰান্তি, খক্চি, বগেজাৰিৰ দৰে লোকনাচ, বড়োসকলৰ বৰদৈচিখলা আৰু বাগুৰুম্বা, চাহ জনগোষ্ঠীৰ ঝুমুৰ, গাৰোসকলৰ ৱাংগালা, কোচ-ৰাজবংশীৰ কুশান নাচকে ধৰি বিভিন্ন লোককৃষ্টিৰ প্ৰদৰ্শনে এই সমাৰোহত দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰে। সমাৰোহৰ সামৰণি উপলক্ষে ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয়, যে নতুন চিন্তা, নতুন ধ্যান-ধাৰণাৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ  কৃষ্টি-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাটোৱেই এই সমাৰোহৰ লক্ষ্য আৰু উদ্দেশ্য।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত  কাইলৈ বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে দলাইগাঁৱৰ উত্তৰ বঙাইগাঁও মিনি ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। বঙাইগাঁও জিলাৰ এহেজাৰ ৭৬৭ গৰাকী, ধুবুৰীৰ দুহেজাৰ ৯৪৯ গৰাকী, গোৱলপাৰাৰ দুহেজাৰ ৩৫২ গৰাকী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩০৫ গৰাকী উদ্যোগী ব্যক্তিলৈ এই আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

০০০০০০

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০

হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

oooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডক ২০ ৰাণত পৰাস্ত কৰে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অভাৰ পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৩ ৰান কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত ইংলেণ্ডে নেপালক চাৰি ৰানত পৰাস্ত কৰে। ইংলেণ্ডেলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত সাত উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেপালে নিৰ্ধাৰিত অভাৰত ছয় উইকেটৰ বিনিময়ত ১৮০ ৰান কৰিবলৈ সমৰ্থ হয়। চেন্নাইত অনুষ্ঠিত গ্ৰুপ-ডিৰ আন এখন খেলত কালি নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত দিনৰ ১১ বজাত স্কটলেণ্ড ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিয়লি তিনি বজাত কলম্বোত হ'বলগীয়া আন এখন খেলত জিম্বাবুৱে আৰু ওমান মুখামুখি হ'ব। সন্ধিয়া সাত বজাত আহমেদাবাদত হ'বলগীয়া তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে খেলিব।

oooooo

## NEWS PAPER REV/RNU (09-02-2026) MORN

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনৰ সামৰণি, সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সংযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সংবাদমেল, ৰাজ্যিক মৰ্যাদাৰে কবি, নাট্যকাৰ, নাট পৰিচালক ৰফিকুল হোছেইনৰ শেষকৃত্য সম্পন্ন আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

গৌৰৱ গগৈৰ পত্নীয়ে কাম কৰা এন জি অ'ৰ প্ৰকল্পৰে গুজৰাটৰ বিজেপি চৰকাৰৰ বুজাবুজি থকাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মালয়েছিয়া ভ্ৰমণৰ সময়ত দুয়োদেশৰ মাজত ৰণকৌশলগত সহযোগিতা আৰু সম্পৰ্ক বৃদ্ধিৰ লগতে বিভিন্ন খণ্ডৰ ১১ খন চুক্তি সম্পাদিত হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

নিজম পৰিল জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰ, ভাগৱত ভ্ৰমণেৰে শংকৰ সংঘৰ অধিৱেশনৰ সামৰণি, পৰৱৰ্তী অধিৱেশন হ'ব লখিমপুৰত- এই বাতৰি দৈনিক অসম কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। বাতৰিটো অন্যান্য কাকতেও ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

সামাজিক সাংস্কৃতিক সংস্থা প্ৰজ্ঞাৰ উদ্যোগত আয়োজিত যুৱ নেতৃত্ব সমাৰোহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰি হাজাৰ যুৱক-যুৱতীৰ সৈতে বাৰ্তালাপ কৰি স্বাভিমানী আৰু স্বাৱলম্বী অসম নিৰ্মাণৰ দায়িত্ব নতুন প্ৰজন্মৰ ওপৰত ন্যস্ত হৈছে বুলি মন্তব্য কৰিছে। এই বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতত গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত অনুমতি অবিহনে পাকিস্তান ভ্ৰমণ গৌৰৱ গগৈৰ- শিৰোনামেৰে বাতৰি প্ৰকাশ পাইছে। এই বাতৰি অন্যান্য কাকতেও প্ৰকাশ কৰিছে। অসংখ্য

গুণমুগ্ধৰ উপস্থিতিত ৰাজ্যিক মৰ্যাদাৰে বোকাখাটত কবি-নাট্যকাৰ, নাট পৰিচালক ৰফিকুল হোছেইনৰ শেষকৃত্য সম্পন্ন। এই বাতৰি অসমীয়া খবৰ কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

ভোটদানৰ হাৰ বৃদ্ধি, শূন্য অভিযোগ আৰু স্পৰ্শকাতৰ ভোটকেন্দ্ৰৰ সংখ্যা হ্ৰাস আৰু শুদ্ধ ভোটাৰ তালিকাৰে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব লাগিব বুলি নিৰ্বাচন আয়োগে অসমৰ দায়িদত্বত থকা সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশনা দিছে। এই বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

গৌৰৱ গগৈৰ পাকিস্তান সংগোযগ সন্দৰ্ভত মুখ্যমন্ত্ৰী সংবাদমেলত গৌৰৱ গগৈয়ে ছুপাৰ ফ্লপ আখ্যা দিয়াৰ বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দ্য ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।০০০০

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**